NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-09-2022
**Time :** 17-15 hrs

০০০০

ৰাজ্য চৰকাৰে ১ লাখ যুৱক-যুৱতীক চৰকাৰী কৰ্ম-সংস্থাপন প্ৰদান কৰাৰ প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আজি গুৱাহাটীৰ খানাপাৰাত ২৪ টা বিভাগৰ ১১ হাজাৰ ২৩৬ টা পদৰ বাবে নিযুক্তি পত্ৰ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোগ্য প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰে। ৰাজ্য চৰকাৰে সম্পূৰ্ণ নিকা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে মেধা আৰু যোগ্যতাৰ ভিত্তিত এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মন্তব্য কৰে। তেওঁ লগতে কয় যে, এই নিযুক্তি প্ৰক্ৰিয়াই বহু দুখীয়া পৰিয়ালৰ মাজত আনন্দৰ জোৱাৰ তুলিছে। আনহাতে, নৱ-নিযুক্ত প্ৰতিগৰাকী যুৱক-যুৱতীক কৰ্ম জীৱনৰ কোনো দিনে দুৰ্নীতিক প্ৰশ্ৰয় নিদিও বুলি সংকল্প লবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰী শৰ্মাই লগতে উল্লেখ কৰে যে, পুনৰ ১০ হাজাৰ চৰকাৰী পদত নিযুক্তিৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰেই বিজ্ঞাপন প্ৰকাশ কৰিব। আজিৰ নিযুক্তি সমাৰেশত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, কেশৱ মহন্ত, ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, যোগেন মহন, সঞ্জয় কিষাণ, নন্দিতা গাৰ্লোচা, উৰ্খাও গৌৰা ব্ৰহ্ম, জয়ন্ত মল্লবৰুৱা, অশোক সিংঘাল, বিমল বৰা আৰু পীযুষ হাজৰিকাৰ লগতে মুখ্য সচিব পৱন বৰঠাকুৰ আৰু আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত উপস্থিত থাকে।

০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা কলিয়াভোমোৰা আৰু তেজপুৰ সংযোগী দলংখন পৰিদৰ্শন কৰে। নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা এই দলংখনে সমগ্ৰ উত্তৰ পূবৰ ৰাজ্যসমূহৰ মাজত যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীৰিজিজুৱে আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে আজি কলিয়াবৰত বিজেপিৰ এখন দলীয় সভাতো অংশগ্ৰহণ কৰে। এই সভাত বিজেপিৰ কলিয়াবৰ জিলা সমিতিৰ সহস্ৰাধিক নেতা-কৰ্মী উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীৰিজিজুৱে কলিয়াবৰৰ হাটবৰৰ ভৰালী নামঘৰত সেৱা আগবঢ়ায়। কেন্দ্ৰীয়মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত আছিল।

০০০০

কেন্দ্ৰীয় চৰকাৰৰ আয়ুস্মান ভাৰত আঁচনিৰ আজি চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য শিবিৰ আৰু সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। চিৰাং জিলাত স্বাস্থ্য সেৱা সমিতিৰ উদ্যোগত চিদলি স্বাস্থ্য খণ্ডৰ অধীনৰ হাতীপোটা মাদ্ৰাছাত আজি এই উপলক্ষে এটা সজাগতা সমদল উলিওৱা হয়। তদুপৰি অনুষ্ঠানৰ লগত সংগতি ৰাখি মুকলি কৰা স্বাস্থ্য শিবিৰত ৰোগীসকলক পৰীক্ষা কৰি বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ ঝোগৰাচৰ এলেকাৰ দাকেৰগাওঁত আজি চিকিৎসা শিবিৰ মুকলি কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচী লোৱা হয়। ওদালগুৰি আৰু ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সহযোগত আজি দুটা স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰা হয়। ইপিনে ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ দৌগদহৰত আজি সীমান্ত সুৰক্ষা বাহিনীৰ

উদ্যোগত বিনামূলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰা হয়। এই শিবিৰত সহস্ৰাধিক শিশু সহ পুৰুষ-মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ উদ্যোগত আজি বৰপেটা জিলাৰ দুটা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। শিবিৰত চকু আৰু দন্ত বিভাগৰ বিশেষজ্ঞ চিকিৎসক উপস্থিত থাকে।

০০০০০০০

অসম আৰক্ষীয়ে পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়া নামৰ সংগঠনটোৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখি পুনৰ এজন নেতাক গ্ৰেপ্তাৰ কৰিছে। অসম আৰক্ষীৰ বিশেষ শাখাই গ্ৰেপ্তাৰ কৰা পশ্চিমবঙ্গ পি এফ আইৰ ৰাজ্যিক সভাপতি মিনাৰুল শ্বেখক ইতিমধ্যে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হৈছে। উল্লেখ্য যে, অসম আৰক্ষীয়ে এই পৰ্য্যন্ত ১১ জন পি এফ আইৰ নেতা-কৰ্মীক গ্ৰেপ্তাৰ কৰিছে।

০০০০০

মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাৰ অভিযানকাৰী দলে আজি নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়া কাৰ্য্যালয়ৰ এজন লাট মণ্ডলক উৎকোচ লোৱা অৱস্থাত হাতে-লোটে গ্ৰেপ্তাৰ কৰে। দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰ কৰা লাট মণ্ডলজন ৰঞ্জিত মহন্ত বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত খেল ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা বক্সিং ছেম্পিয়নশ্বিপৰ আজি সামৰণি পৰিছে। প্ৰতিযোগিতাখনত জুনিয়ৰ তথা যুৱ বিভাগৰ ১৯ টা ওজন শাখাৰ খেল অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত মণিপুৰে ১২ টা সোণৰ পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰে। আনহাতে, ঘৰুৱা দল অসমে পাঁচটা সোণ, আঠটা ৰূপ আৰু ১৫ টা ব্ৰঞ্জসহ মুঠ ২৮ টা পদক লাভ কৰি পদক তালিকাত দ্বিতীয় স্থান লাভ কৰিছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চলি থকা ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন টি-টুৱেণ্টি খেল আজি নাগপুৰৰ বিদৰ্ভ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে, ইতিমধ্যে প্ৰথমখন খেলত জয়ী হৈ ভ্ৰমণকাৰী অষ্ট্ৰেলিয়াই শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কাইলৈ নিশা ৮ বজাত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত অসমত জলজীৱন মিছন সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। অনুষ্ঠানত জলজীন মিছনৰ মিচন সঞ্চালক কৈলাশ কাৰ্তিক অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

সমাপ্ত